# গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

## গৃহপঞ্জী

## প্ৰথম যান্মাসিক

## অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৫-২৬ (জুলাই/আগষ্ট)

নিৰ্দেশাৱলীঃ—

(১) কেৱল ২০২৫-২৬ (জুলাই/আগষ্ট) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।

(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, যান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।

(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)

(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।

(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।

(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।

(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।

(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।

(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ২০ জানুৱাৰী, ২০২৬।**

---

## পাঠ্যবিষয় ঃ ASM-1016 (অসমীয়া ভাষাৰ উত্থান আৰু বিকাশ)

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰকঃ—** ২×১০=২০

**১ নং প্ৰশ্নঃ** (ক) ধৰ্ম আৰু ৰাজনীতিয়ে ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ বিকাশত কি ভূমিকা লৈছিল? আলোচনা কৰক। ১০

*অথবা*

(খ) সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষা- শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) মধ্যযুগীয় অসমীয়া ভাষাত সমন্বয়ৰ ধাৰা কেনেদৰে পৰিলক্ষিত হয় পৰ্যালোচনা কৰক। ১০

*অথবা*

(খ) আধুনিক অসমীয়া ভাষাক কিয় নিৰ্মাণ হোৱা বুলি কোৱা হৈছে? ১০

## পাঠ্যবিষয় ঃ ASM-1026 (অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৮৮৯-২০১৫))

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰকঃ—** ২×১০=২০

**১ নং প্ৰশ্নঃ** (ক) অসমীয়া আধুনিক কবিতাৰ পটভূমি সম্পৰ্কে আলোচনা কৰক। ১০

*অথবা*

(খ) জ্ঞান পূজাৰীৰ পৰিচয় দাঙি ধৰি তেওঁৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) অসমীয়া জনজাতীয় উপন্যাস বুলিলে কি বুজে? উমাকান্ত শৰ্মাৰ জনজাতীয় উপন্যাস সম্পৰ্কে বহলাই লিখক। ১০

*অথবা*

(খ) অৰূপা পটঙ্গীয়া কলিতাৰ পৰিচয় দাঙি ধৰি অসমীয়া উপন্যাস সাহিত্যলৈ তেওঁৰ অৱদান সম্পৰ্কে আলোচনা কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-1036 (অসমৰ সংস্কৃতিৰ অধ্যয়ন)

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰকঃ—** ২×১০=২০

**১ নং প্ৰশ্নঃ** (ক) মানৱ জীৱনৰ প্ৰয়োজনীয়তাৰ লগত সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰক। ১০

*অথবা*

(খ) অসমৰ নৃগোষ্ঠীসমূহৰ চমু পৰিচয় দাঙি ধৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) অসমৰ লোক-কলা সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক। ১০

*অথবা*

(খ) সাংস্কৃতিক সম্পদ কি? ইয়াৰ সংৰক্ষণ সম্পৰ্কে ধাৰণা দিয়ক। ১০

## পাঠ্যবিষয় ঃ ASM-1046 (সংস্কৃত সাহিত্যৰ ইতিহাস, বিকাশ, লক্ষণ আৰু প্ৰকাৰ)

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰকঃ—** ২×১০=২০

**১ নং প্ৰশ্নঃ** (ক) মহাকাব্যকাৰ কালিদাসৰ ৰচনাৰ মূল্যায়ণ কৰক। ১০

*অথবা*

(খ) খণ্ডকাব্য আৰু মহাকাব্যৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰি ৰামায়ণক আদিকাব্য হিচাবে বিচাৰ কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) ভাৰতীয় সাহিত্যত মহাভাৰতৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক। ১০

*অথবা*

(খ) খণ্ডকাব্যৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰক। ১০

—×—

গুৱাহাটী বিশ্ববিদ্যালয়

# Gauhati University

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

# Centre for Distance and Online Education

## ASNWERSCRIPT FOR HOME ASSIGNMENT

**Roll Number (8 digit):** .......................................................................
*(GUCDOE Enrollment No)*

**G.U. Registration No.:** .......................................................................

**Programme Name:** .......................................................................

**Semester:** .......................................................................

**Paper Title:** .......................................................................

**Paper Code:** .......................................................................

**Name of the Study Centre:**.......................................................................

**N.B.: Please note that the Name of the Candidate should not be mentioned anywhere. If found, the asnwer script will not be evaluated.)**